**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ভূমি অবৈধ দখলমুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে আপোচ বিহীনভাৱে অভিযান চলাই যাব বুলি মুখ্যমন্ত্ৰীৰ মঙলদৈত ঘোষণা।

২। উৰিয়ামঘাটত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযান সম্পন্ন। আজিৰে পৰা দক্ষিণ নামবৰ বনাঞ্চলত অভিযান।

৩। চাহ শ্ৰমিকসকলক ১০ ছেপ্তেম্বৰৰ পূৰ্বে দুৰ্গা পূজাৰ বোনাচ আদায় দিবলৈ ৰাজ্য চৰকাৰৰ নিৰ্দেশ জাৰি।

৪। গুৱাহাটীৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানত অহা ৩ দিনত প্ৰবল ধুমুহা, বৰষুণৰ সম্ভাৱনা। *আৰু*

৫। আকৰ্ষণীয় পৰ্যায়ত অভেল ক্ৰিকেট টেষ্ট।

000000

ৰাজ্য চৰকাৰে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ভূমি অবৈধ দখলমুক্ত কৰাৰ বাবে আপোচ বিহীনভাৱে অভিযান চলাই যাব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি ওদালগুৰিত বিজয় সংকল্প সমাৱেশত অংশ লৈ ওভতি অহাৰ পথত দৰং জিলা বিজেপিৰ মঙলদৈস্থিত কাৰ্যালয়ত এখন দলীয় সভাত অংশ লোৱাৰ পিছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ ২৯ লাখ বিঘা ভূমি দখলকাৰীৰ কবলত আছে আৰু এই ভূমি দখলমুক্ত কৰাৰ বাবে চৰকাৰে অভিযান চলাই যাব। এইক্ষেত্ৰত স্থানীয় ৰাইজক সজাগ হৈ থকাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

*-বাইট-*

ড° শৰ্মাই লগতে অহা ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে সম্বোধন কৰিবলগীয়া দলীয় পঞ্চায়ত প্ৰতিনিধিসকলৰ সভা আৰু ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মঙলদৈত অংশ ল'বলগীয়া সভাৰ প্ৰস্তুতি সম্পৰ্কতো কালি আলোচনা কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী এই কাৰ্যসূচীৰ বিষয়ে সদৰী কৰে।

*-বাইট-*

000000

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযান সুকলমে সম্পন্ন হয়। প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে চলোৱা এই অভিযানত ৪ হাজাৰ টা সাধাৰণ বাসগৃহ, ৪০০ দুমহলীয়া অট্টালিকা উচ্ছেদ কৰা হয়। তদুপৰি এই অভিযানত বিভিন্ন অপৰাধত জড়িত থকাৰ অভিযোগত কেইবাজনো অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয় বুলি কালি প্ৰথম পৰ্যায়ৰ উচ্চেদ অভিযানৰ সামৰণিত বন বিভাগ আৰু প্ৰশাসনে এখন সংবাদমেলত প্ৰকাশ কৰে। বন বিভাগৰ হৈ প্ৰধান মুখ্য বন সংৰক্ষক এম. কে. যাদৱে কয়, যে আজিৰে পৰা দক্ষিণ নামবৰ বনাঞ্চলৰ গেলাজান আৰু ৰজাপুখুৰীত উচ্ছেদ চলোৱা হ'ব। ইয়াৰ বাবেই যোৱানিশাই সেই স্থানলৈ এছকেভেটৰ সহ বন বিভাগ, অসম আৰক্ষী আৰু চি আৰ পি এফৰ দল ৰাওনা হৈছে। আজি পুৱা চাৰে ৯ বজাৰ পৰা উচ্ছেদ অভিযান চলোৱা হ'ব। তেওঁ কয়, যে বন বিভাগে উচ্ছেদিত

অঞ্চলটোত বন সংৰক্ষণ আৰু পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ বাবে চৰকাৰক পৰিকল্পনা দাখিল কৰিছে। কালি পঞ্চম দিনা অঞ্চলটোৰ বিদ্যাপুৰ, দলনিপথাৰ, মধুপুৰ আৰু খেৰবাৰী গাওঁৰ দখলিকৃত ভূমি উচ্ছেদ কৰা হয়। শ্ৰীযাদৱে সংবাদমেলত প্ৰকাশ কৰা মতে, মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰী বিলত অহা ৮ আগষ্টত উচ্ছেদ অভিযান চলোৱা হ'ব। তেওঁ কয় যে অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫টা পৰিয়ালক অঞ্চলটো খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ শুকুৰবাৰে উকলি যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অহা ৬ আগষ্টৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব আৰু ৮ আগষ্টৰ পুৱা উচ্ছেদ চলোৱা হ'ব বুলি তেওঁ কয়।

ইপিনে, বিশ্বনাথ জিলা প্ৰশাসনে জিলাখনৰ ননকে জাপৰিগুৰিৰ ৩০৭টা পৰিয়াললৈ উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে। এই লোকসকলে চৰকাৰী গো-চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকাৰ অভিযোগত ১৫ দিনৰ ভিতৰত তেওঁলোকক আঁতৰি যাবলৈ জাননী দিয়া হৈছে। বিশ্বনাথ জিলা বিস্তীৰ্ণ অঞ্চল দখলকাৰীৰ কবলত আছে বুলি প্ৰশাসনৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। কেৱল বিশ্বনাথ ৰাজচক্ৰতে ৪৪ হাজাৰ বিঘা ভূমি দখল হৈ আছে বুলি জানিব পৰা গৈছে।

oooooo

ৰাজ্য চৰকাৰে চাহ শ্ৰমিকক বোনাচ আদায় দিয়াক লৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। শ্ৰমিক কল্যাণ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্যসচিব জে বি এক্কাই কালি প্ৰতিখন জিলা আয়ুক্তলৈ জাৰি কৰা নিৰ্দেশনাত সমাগত দুৰ্গা পূজাৰ প্ৰতি লক্ষ্য ৰাখি ১০ ছেপ্তেম্বৰৰ পূৰ্বে চাহ শ্ৰমিকক বোনাচ আদায় দিয়াটো সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। ইয়াৰ উপৰি কিমান পৰিমাণৰ বা কি হাৰত বোনাচ আদায় দিয়া হ'ব এই সন্দৰ্ভত ৩১ আগষ্টৰ ভিতৰত ঘোষণাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। বিত্তীয় বৰ্ষ সমাপ্তিৰ ৮ মাহৰ ভিতৰত শ্ৰমিকক আইনগত বোনাচ আদায় দিব লাগে আৰু ৰাজ্যত দুৰ্গা পূজাৰ আগতে বোনাচ আদায় দিয়াটো প্ৰচলিত পৰম্পৰা। এইবেলি ছেপ্তেম্বৰৰ শেষৰ পিনে দুৰ্গা পূজা আৰম্ভ হ'ব। এনে প্ৰেক্ষাপটত চাহ বাগিচা কৰ্তৃপক্ষক বাৰ্ষিক বেলেঞ্চ চীট আৰু আইন অনুসৰি বোনাচৰ পৰিমাণ চূড়ান্ত কৰিবলৈ আহ্বান জনোৱা হৈছে। চাব বাগিচা কৰ্তৃপক্ষই যাতে নীতি নিয়ম আৰু যাৱতীয় ব্যৱস্থা অনুসৰণ কৰে আৰু শ্ৰমিকসকলে সময়মতে চলিত বৰ্ষৰ বোনাচ লাভ কৰে তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে।

oooooo

অসমৰ নদী ভিত্তিক বাণিজ্য আৰু বহনক্ষম পৰিবহণৰ দিশত ঐতিহাসিক পদক্ষেপ হিচাপে ৫৭ নম্বৰ ৰাষ্ট্ৰীয় জলপথ হিচাপে চিহ্নিত কপিলী নদীৰে কালি মালবাহী সামগ্ৰীৰ প্ৰথম পৰীক্ষামূলক যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। কামৰূপ মহানগৰ জিলাৰ চন্দ্ৰপুৰৰ গোৱৰ্দ্ধনৰ পৰা দক্ষিণ শালমৰাৰ হাটশিঙিমাৰীলৈ কালি এই যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই পদক্ষেপক অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ অন্তৰ্দেশীয় জলপথ পৰিবহনৰ বাবে ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰে। স্বয়ংক্ৰিয়ভাৱে সামগ্ৰী বোজাই কৰিব পৰা ক্ষমতাৰে সু-সজ্জিত এম ভি ভি ভি গিৰি নামৰ মালবাহী জাহাজখনে কপিলী নদী আৰু ব্ৰহ্মপুত্ৰৰ ৩০০ কিলোমিটাৰ দীঘলীয়া জলপথেৰে ৩০০ মেট্ৰিক টন চিমেণ্ট কঢ়িয়াই আনে। এই উন্নয়নৰ জৰিয়তে অসমৰ এহেজাৰ ১৬৮ কিলোমিটাৰতকৈও অধিক ৰাষ্ট্ৰীয় জলপথ কাৰ্যকৰীকৰণ হৈছে বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰে। অসমৰ চাৰিটা ৰাষ্ট্ৰীয় জলপথ ব্ৰহ্মপুত্ৰ, বৰাক, ধনশিৰী আৰু কপিলীত মালবাহী জাহাজৰ পৰিবহণ আৰম্ভ হোৱাৰ ফলত ৰাজ্যত সমৃদ্ধি আৰু সুযোগ সম্ভাৱনা বৃদ্ধি পাব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কালি পৰীক্ষামূলক যাত্ৰাই প্ৰায় ২৩ খন ট্ৰাকে বহন কৰিব পৰা চিমেণ্ট

কঢ়িয়াইছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকী কয়, যে পথৰ পৰা জলপথলৈ মালবাহী পৰিবহণ স্থানান্তৰ কৰাৰ ফলত ভিৰ হ্ৰাস হোৱাৰ লগতে পৰিবহণ ব্যয়ো হ্ৰাস পাব। কপিলী নদীত মালবাহী জাহাজৰ চলাচল কাৰ্যকৰী হোৱাৰ ফলত ৰাজ্যত নতুন দিগন্তৰ সূচনা হোৱাৰ লগতে ব্যয়সন্মত আৰু পৰিবেশগতভাৱে বহনক্ষম অন্তৰ্দেশীয় জলপথ পৰিবহন ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি তেওঁ কয়।

০০০০০০

বাণিজ্যিকভাৱে সফল চলচ্চিত্ৰৰ লগতে মুক্ত চিন্তাৰ চলচ্চিত্ৰৰো প্ৰয়োজন আছে। মুক্ত চিন্তাৰ চলচ্চিত্ৰই সমাজৰ প্ৰকৃত ছবি প্ৰতিফলত কৰে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাতত কালি ৰাজ্যখনৰ ৩ গৰাকী উদীয়মান চলচ্চিত্ৰ পৰিচালক অমৰদ্বীপ গগৈ, হিমজ্যোতি তালুকদাৰ আৰু ঝুলনকৃষ্ণ মহন্তই এই বিষয়ে প্ৰকাশ কৰে।

**--বাইট-- (ডাইৰেক্টৰ্ছ)**

তেওঁলোকে কয় যে মুকলি চিন্তাৰ চলচ্চিত্ৰৰ ক্ষেত্ৰত পৰিচালক তথা কলা কুশলীসকলে স্বাৱলম্বী আৰু স্বয়ংসম্পূৰ্ণভাৱে সকলো কাম সম্পন্ন কৰে। সম্প্ৰতি ৰাজ্য আৰু দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত এনেধৰণৰ চিন্তাৰ চলচ্চিত্ৰৰ গুৰুত্ব লাভ কৰিছে বুলি তেওঁলোকে উল্লেখ কৰে। তেওঁলোকে লগতে এই ধৰণৰ চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত থকা বিত্তীয় আৰু অন্যান্য প্ৰত্যাহ্বানসমূহৰ বিষয়েও জানিবলৈ দিয়ে। অনুষ্ঠানটোত তেওঁলোকৰ সৈতে অন্তৰংগ আলাপত ভাগ লয় আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনিদিনত গুৱাহাটীৰ লগতে ৰাজ্যৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে প্ৰবল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত গুৱাহাটীত ৭ৰ পৰা ১১ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ লগতে প্ৰতিঘণ্টাত ৪০ৰ ৫০ কিলোমিটাৰ বেগেৰে ধুমুহা বলাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগৰ এই আগজাননী চাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দূৰণিবতীয়া যাত্ৰীসকলক বৰষুণৰ সম্ভাৱনালৈ চাই যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ আৰু বৃষ্টিপাতৰ সময়ছোৱাত অযথা ঘৰৰ বাহিৰলৈ নোলাবলৈ কোৱা হৈছে। দ' ঠাই আৰু পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক বান আৰু ভূমিস্খলনৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। জনসাধাৰণক লগতে বতৰৰ আগলি বতৰা শুনি থাকিবলৈ আৰু বৰষুণৰ সময়ছোৱাত নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা পৰামৰ্শৱলী অনুসৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে স্বাভাৱিক সতৰ্কতাৰ বাবে সময়ে সময়ে শেহতীয়া স্থিতিৰ বিষয়ে জনাব।

ইপিনে বতৰ বিজ্ঞান কেন্দ্ৰই চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা ব্যক্ত কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। ভূমিস্খলনৰ লগতে পাহাৰৰ পৰা নমা পানী ঢলে অসম-অৰুণাচলৰ সীমামূৰীয়া লখিমপুৰ আৰু ধেমাজি জিলাৰ প্ৰতিও ভাবুকি কঢ়িয়াই অনাৰ আশংকালৈ চাই দুয়োখন জিলাতে ৰেড এলাৰ্ট জাৰি কৰা হৈছে।

০০০০০০

ৰাজ্যৰ শেহতীয়া খৰাং সদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে কালি কৃষিমন্ত্ৰী অতুল বৰাই বিভাগীয় বিষয়াসকলৰ সৈতে আলোচনা কৰে। দিছপুৰত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত তেওঁ লগতে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যথোচিত পদক্ষেপ গ্ৰহণৰ বাবে বিষয়াসকলক যাৱতীয় নিৰ্দেশনা দিয়ে। মন্ত্ৰীগৰাকীয়ে পি. এম. কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, আৰ. আই. ডি. এফকে ধৰি

বিভিন্ন কৃষি আঁচনিৰ অধীনৰ কাম-কাজৰ শেহতীয়া অগ্ৰগতি আৰু ৰূপায়ণৰ সবিশেষ পৰ্যালোচনা কৰে। তদুপৰি আঁচনিসমূহৰ সফল ৰূপায়ণৰ দ্বাৰা কৃষকৰ কল্যাণ নিশ্চিত কৰাৰ লগতে নৱ প্ৰজন্মক কৃষিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ব্যৱস্থা গ্ৰহণৰ বাবে মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। ৰাজ্যৰ প্ৰতিখন জিলাত অধিক সম্ভাৱনা থকা শস্যসমূহ চিনাক্ত কৰি কৃষকক প্ৰয়োজনীয় বীজ সময়মতে যোগানৰ বাবেও মন্ত্ৰী শ্ৰীবৰাই বিষয়াসকলক নিৰ্দেশ দিয়ে। এই বৈঠকত কৃষি বিভাগৰ সঞ্চালক ডাঃ উদয় প্ৰবীণ, সচিব তেজপ্ৰসাদ ভূষালৰ লগতে ভালেসংখ্যক বিষয়া উপস্থিত থাকে।

oooooo

ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ইয়াৰ অধীনৰ সকলো বিদ্যালয়ক নৱম আৰু দশম শ্ৰেণীৰ হৈ যোৱা প্ৰথম গোট পৰীক্ষাৰ নম্বৰ অহা ১০ আগষ্টৰ ভিতৰত মাৰ্কছ এন্ট্ৰি প'ৰ্টেলত আপলোড কৰিবলৈ নিৰ্দেশ দিছে। পৰিষদৰ সচিবে কালি এই বিষয়ে জাননী জাৰি কৰে। জাননীখনত প'ৰ্টেলত প্ৰথম গোটৰ পৰীক্ষাৰ নম্বৰ নথকা দশম শ্ৰেণীৰ শিক্ষাৰ্থীক ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণত অনুমতি দিয়া নহ'ব বুলি সকীয়াই দিয়া হৈছে। ইয়াৰ উপৰি ইতিমধ্যে প'ৰ্টেলত আপলোড কৰা ২০২৪-২৫ বৰ্ষৰ নৱম শ্ৰেণীৰ ছমহীয়া আৰু বছৰীয়া পৰীক্ষাৰ নম্বৰো পুনৰ পৰীক্ষা কৰি প্ৰতিজন শিক্ষাৰ্থীৰ বিপৰীতে বৰ্ণনাত্মক আৰু বস্তুনিষ্ঠ অংশৰ নম্বৰ পৃথকে পৃথকে পুনৰ আপলোড কৰিবলৈ বিদ্যালয়সমূহক পৰামৰ্শ দিয়া হৈছে। পৰিষদে লগতে বিদ্যালয়সমূহক চলিত বৰ্ষৰ ছমহীয়া, দ্বিতীয় গোট পৰীক্ষা, বছৰেকীয়া অথবা বাছনি পৰীক্ষাত প্ৰতিজন শিক্ষাৰ্থীয়ে লাভ কৰা নম্বৰো পৰীক্ষা অনুযায়ী প'ৰ্টেলত আপলোড কৰিবলৈ আহ্বান জনাইছে।

oooooo

ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মৃত অৰ্থনীতিৰ দাবীক নস্যাৎ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত বিশ্বৰ তৃতীয় অৰ্থনীতি হোৱাৰ দিশে দ্ৰুতগতিত ধাৱমান হোৱা বুলি প্ৰকাশ কৰিছে। এই বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ।

ৰেংমা সংৰক্ষিত বনাঞ্চলত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ সামৰণি পৰিছে। আলোকচিত্ৰসহ এই বাতৰি প্ৰকাশ কৰিছে দি আছাম ট্ৰিবিউন কাকতে।

দেশৰ টায়াৰ উদ্যোগে অসম তথা উত্তৰ-পূবৰ পৰা অতিৰিক্ত ৰবৰ ক্ৰয় কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কেৰালাত প্ৰাকৃতিক ৰবৰৰ উৎপাদন আৰু গুণগত মান সামান্য হ্ৰাস হোৱাৰ পৰিবৰ্তে উত্তৰ-পূৰ্বাঞ্চলৰ গুণগত মান বৃদ্ধি পোৱাত দেশৰ টায়াৰ উদ্যোগে উত্তৰ-পূৰ্বাঞ্চলৰ দিশে দৃষ্টি নিৱদ্ধ কৰিছে। এই ইতিবাচক বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

দেশৰ প্ৰতিজন নাগৰিকক দেশত তৈয়াৰ কৰা আৰু দেশীয় লোকৰ হাতেৰে তৈয়াৰ সামগ্ৰীহে ক্ৰয় কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। দৈনিক জনমভূমি কাকতে **স্বদেশী জাগৰণৰ আহ্বান প্ৰধানমন্ত্ৰীৰ** শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যত ঘৰুৱা হিংসাৰ ঘটনা বৃদ্ধি পাইছে। সৰ্বাধিক ঘৰুৱা হিংসাৰ ঘটনা স্বামী-স্ত্ৰী আৰু আত্মীয়ৰ মাজত সংঘটিত হোৱা বুলি এটা সমীক্ষাত প্ৰকাশ পাইছে। এই উদ্বেগজনক বাতৰি আমাৰ অসম কাকতত প্ৰকাশ পাইছে।

১০ ছেপ্তেম্বৰৰ পূৰ্বে চাহ শ্ৰমিকক পূজাৰ ব'নাচ আদায় দিবলৈ ৰাজ্য চৰকাৰে বাগিচা কৰ্তৃপক্ষলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যত বাল্য বিবাহ আৰু অপৰাজনিত ঘটনাৰ সংখ্যা হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্যৰে দা ছেণ্টিনেল  কাকতে বাতৰি প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীয়ে ২০২১ চনত ডিমা হাচাওৰ বৰ হাফলঙত মুকলি কৰা অনাথ আৰু পৰিত্যক্ত শিশুৰ বাবে নিৰ্মিত বিশেষ শিশু গৃহটো ডিমা হাচাওৰ মুখ্য কাৰ্যবাহী সদস্য দেৱ'লাল গাৰ্লোচাই ব্যয়বহুল ব্যক্তিগত হোটেলৰূপে যোৱা ২৭ জুলাইত মুকলি কৰে। এই বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমত নদীভিত্তিক বাণিজ্য আৰু বহনক্ষম পৰিবহণ ব্যৱস্থা পুনৰুজ্জীৱিত কৰি ৰাষ্ট্ৰীয় জলপথেৰে মালবাহী সামগ্ৰীৰ প্ৰথম পৰীক্ষামূলক যাত্ৰা সফলতাৰে সম্পন্ন হয়। অসমীয়া খবৰ কাকতৰ লগতে আটাইবোৰ কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত